# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মানৱতাৰ সাফল্য যুদ্ধক্ষেত্ৰত নহয়, বৰং সামূহিক শক্তিতহে নিহিত হৈ থাকে।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে উজবেকিস্তানলৈ ৰাওনা হ'ব।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব।

৪। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে অষ্ট্ৰেলিয়া ভ্ৰমণৰ প্ৰথম দিনা কালি কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰে।

*আৰু*

৫। জম্মু-কাশ্মীৰৰ বিধানসভাৰ কাইলৈ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ডিজিটীয় জন আন্তঃগাঁঠনিক বাধা হিচাপে নহয়, বৰং সংযোগ হিচাপেহে ব্যৱহাৰ কৰিব লাগে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত যোৱা নিশা অনুষ্ঠিত ভৱিষ্যতৰ শীৰ্ষ সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিশ্বৰ মংগলৰ বাবে ভাৰতে নিজৰ ডিজিটীয় জন আন্তঃগাঁঠনি ৰাজহুৱা কৰিবলৈ সাজু।

ভাষণত শ্ৰী মোদীয়ে প্ৰযুক্তিৰ নিৰাপদ আৰু দায়িত্বশীল ব্যৱহাৰৰ বাবে ভাৰসাম্য নিয়ন্ত্ৰণত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, বিশ্বই এনে গোলকীয় ডিজিটীয় শাসন ব্যৱস্থা বিচাৰে, য'ত সাৰ্বভৌমত্ব আৰু অখণ্ডতা অক্ষত থাকে।

মানৱতাৰ সাফল্য যুদ্ধক্ষেত্ৰত নহয়, বৰং সামূহিক শক্তিতহে নিহিত হৈ থাকে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

ইপিনে, শান্তি আৰু নিৰাপত্তাৰ প্ৰতি অহা ভাবুকিত আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে গোলকীয় শান্তি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত সন্ত্ৰাসবাদ এতিয়াও গুৰুতৰ ভাবুকি হৈয়ে আছে। আনহাতে, চাইবাৰ সুৰক্ষা, সামুদ্ৰিক সুৰক্ষা আৰু মহাকাশ সুৰক্ষাই সংঘাটৰ নতুন বিষয়বস্তু হিচাপে আত্মপ্ৰকাশ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ

কয় যে, আমি যেতিয়া পৃথিৱীৰ ভৱিষ্যতৰ বিষয়ে আলোচনা কৰো, তেনে সময়ত মানৱ কেন্দ্ৰীক দৃষ্টিভংগীক সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা উচিত। বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ সময়তে আমি মানৱকল্যাণ, খাদ্য আৰু স্বাস্থ্য সুৰক্ষাও সুনিশ্চিত কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিউয়ৰ্কৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত আয়োজিত ভৱিষ্যতৰ শীৰ্ষ সন্মিলনৰ আপাহতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে বৈঠকত মিলিত হয় । তেওঁ আৰ্মেনিয়াৰ প্ৰধানমন্ত্ৰী নিকোল পাছিনিয়ানকো সাক্ষাৎ কৰে।

শ্ৰীমোডীয়ে ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট'লামৰ সৈতেও দ্বিপাক্ষিক বৈঠকত ভাগ লয়। তেওঁলোকে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ উপায়সমূহৰ আলোচনা কৰাৰ লগতে গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ লৈও মত বিনিময় কৰে। নেতা দুগৰাকীয়ে উভয় দেশৰ মাজৰ সভ্যতা আৰু সংস্কৃতিৰ গভীৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে চলিত মাহৰ আৰম্ভণিতে য়াগী ঘূৰ্ণিবতাহৰ ফলত হোৱা লোকচান আৰু ক্ষতিৰ বাবে ভিয়েটনামৰ প্ৰতি পুনৰবাৰ সহানুভূতি প্ৰকাশ কৰে। ইপিনে অপাৰেচন সদভাৱৰ অধীনত ভাৰতে দেশখনলৈ জৰুৰীকালীন মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সময়মতে যোগান ধৰাৰ বাবে ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাথামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোদী চৰকাৰে কোনো লোকে বিশেষকৈ মহিলা যাতে বিকাশৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নাযায় তাক নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। দিনদয়াল অন্ত্যোদয় আঁচনি-ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় এঘাৰ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। চৰকাৰে চাৰি লাখ ৩০ হাজাৰ আত্মসহায়ক গোটৰ ৪৮ লাখ সদস্য উপকৃত হোৱাকৈ দুহেজাৰ ৫০০ কোটি টকাৰ পুঁজি মুকলি কৰি দিছে। নাৰী শক্তিক উদযাপন কৰাৰ উদ্দেশ্যে দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্য উপকৃত হোৱাকৈ পাঁচ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ মুকলি কৰি দিয়া হৈছে।

তদুপৰি মহিলা উদ্যোগীসকলৰ সৰলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

ooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে উজবেকিস্তানলৈ ৰাওনা হ'ব। ভ্ৰমণৰ সময়চোৱাত বিত্তমন্ত্ৰীগৰাকীয়ে কাইলৈ আৰু বৃহস্পতিবাৰে চমৰকণ্ডত হ’বলগীয়া এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংক-এ আই আই বিৰ পৰিচালকমণ্ডলীৰ নৱমখন বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। তেওঁ উভয় দেশৰ দ্বিপাক্ষিক বিনিয়োগ চুক্তিতো স্বাক্ষৰ কৰিব।

ভ্ৰমণকালত বিত্তমন্ত্ৰীগৰাকীয়ে উজবেকিস্তান, কাটাৰ আৰু চীনৰ বিত্তমন্ত্ৰী তথা এ আই আই বিৰ অধ্যক্ষৰ সৈতে গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। শ্ৰীমতী সীতাৰমণে উজবেকিস্তানৰ ৰাষ্ট্ৰপতি শ্বাভকত মিৰ্জিঅ’য়েভকো সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

ইয়াৰ উপৰি শ্ৰীমতী সীতাৰমণে চমৰকন্দ ৰাজ্যিক বিশ্ববিদ্যালয় আৰু তাছখণ্ডৰ লাল বাহাদুৰ শাস্ত্ৰী কীৰ্তিচিহ্ন পৰিদৰ্শন কৰিব। তেওঁ একাধিক খণ্ডৰ আগশাৰীৰ ভাৰতীয় মূলৰ লোকৰ সৈতেও মত বিনিময় কৰিব।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ গৌতমবুদ্ধ নগৰত উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। পাঁচ দিনীয়াকৈ হ'বলগীয়া এই বাণিজ্য প্ৰদৰ্শনী অহা ২৯ ছেপ্তেম্বৰত অন্ত পৰিব। এই অনুষ্ঠানত উত্তৰ প্ৰদেশৰ বাণিজ্য আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই প্ৰদৰ্শনীত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে ভিয়েটনামকো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে, উত্তৰপ্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনীৰ প্ৰথম সংস্কৰণ যোৱা বছৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উদ্বোধন কৰিছিল।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে তেওঁৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ প্ৰথম দিনা কালি কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে অংশীদাৰসকলৰ সৈতে মত বিনিময় কৰে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শ্ৰী গোৱেলে অষ্ট্ৰেলিয়া আৰু ভাৰতৰ মুখ্য কাৰ্যবাহী বিষয়াসকলক লৈ অষ্ট্ৰেলিয়াৰ বাণিজ্য পৰিষদে আয়োজন কৰা এখন বাণিজ্য মেজমেলতো অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দেশখনৰ বাণিজ্যৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰা লোকসকলক ভাৰতত বাণিজ্য ক্ষেত্ৰৰ বিভিন্ন সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে দেশখনৰ পেঞ্চন পুঁজিৰ জ্যেষ্ঠ প্ৰতিনিধিসকলক সাক্ষাৎ কৰে। এই আলোচনাত বিনিয়োগকাৰীসকলক সুযোগ দিয়াৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন নীতি আৰু সংস্কাৰ কাৰ্যসূচীয়েও স্থান পায়। এই বৈঠকত শ্ৰী গোৱেলে নৱীকৰণযোগ্য শক্তি, নিৰ্মাণখণ্ড, শিক্ষা, বিত্ত প্ৰযুক্তি আৰু কৃষি প্ৰযুক্তিৰ দৰে ভাৰতীয় বজাৰৰ সম্ভাৱনাময় ক্ষেত্ৰসমূহত অধিক বিনিয়োগৰ বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ছিডনি ক্ৰিকেট গ্ৰাউণ্ডত ভাৰতীয় মূলৰ লোকসকলৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰে। তেওঁ ভাৰত-অষ্ট্ৰেলিয়াৰ সম্পৰ্কৰ ক্ষেত্ৰত এই লোকসকলে আগবঢ়োৱা অৱদানক

প্ৰশংসা কৰি দ্বিপাক্ষীক সম্পৰ্কক শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁলোকে অৰদান আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ বিধানসভাৰ কাইলৈ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত পাঁচখন জিলাৰ ২৬টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ ভিতৰত জম্মু অঞ্চলৰ ৰিয়াছি, ৰাজৌৰি আৰু পুঞ্চ তথা কাশ্মীৰ উপত্যকাৰ শ্ৰীনগৰ আৰু বুডগাম আছে। এই পৰ্যায়ত প্ৰায় ২৫ লাখ ৭৮ হাজাৰ যোগ্য ভোটদাতাই ২৩৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ অন্ত পৰে। কেন্দ্ৰীয় শাসিত অঞ্চলটোত তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ শতাংশৰো অধিক ভোটগ্ৰহণ হয়। ১ অক্টোবৰত নিৰ্বাচনৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিধানমণ্ডলৰ কামকাজ আৰু দক্ষতা বৃদ্ধিৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰিছে। কালি নতুন দিল্লীত আৰম্ভ হোৱা কমনৱেলথ সংসদীয় সংস্থাৰ দুদিনীয়াকৈ অনুষ্ঠিত দশম ভাৰত আঞ্চলিক সন্মিলনত ভাষণ দি তেওঁ এইদৰে কয়। শ্ৰী বিৰলাই বিধানমণ্ডলসমূহক বিভিন্ন মঞ্চৰ মাধ্যমেৰে আলোচনা কৰি প্ৰযুক্তিৰ জৰিয়তে সমাজৰ শেষ ব্যক্তিজনেও যাতে কল্যাণমূলক আঁচনিসমূহৰ সুবিধা লাভ কৰিব পাৰে তাৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। সাম্প্ৰতিক সময়ত প্ৰযুক্তি আৰু যোগাযোগৰ মাধ্যমসমূহ জনসাধাৰণৰ দৈনন্দিন জীৱনৰ অংশ হোৱাৰ পৰিপ্ৰেক্ষিতত জন প্ৰতিনিধিসকলে তেওঁলোকৰ বৰ্ধিত আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ বাবে পথৰ সন্ধান কৰিব লাগে বুলিও তেওঁ উল্লেখ কৰে।

বহনক্ষম উন্নয়ন আৰু অন্তৰ্ভুক্তিমূলক প্ৰশাসনৰ লক্ষ্যত উপনীত হোৱাত বিধানমণ্ডলসমূহৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি শ্ৰী বিৰলাই কাৰ্যপালিকাৰ দায়বদ্ধতা আৰু স্বচ্ছতাক নিশ্চিত কৰি চৰকাৰক অধিক দায়বদ্ধ আৰু দক্ষ্য কৰি তুলিব পাৰে বুলি মন্তব্য কৰে। তেওঁ কয় যে, অন্তৰ্ভুক্তমূলক উন্নয়নৰ পথৰ হেঙাৰ তথা প্ৰত্যাহ্বানসমূহক সমাধান কৰাটো জনপ্ৰতিনিধি আৰু বিধানমণ্ডল সমূহৰ দায়িত্ব। এই সন্মিলনত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৪৬ গৰাকী সভাপতি, ২৫ অধ্যক্ষ আৰু ১৪ গৰাকী উপাধক্ষই অংশগ্ৰহণ কৰে। এই সন্মিলনৰ মূল বিষয়বস্তু আছিল বহনক্ষমৰ অন্তৰ্ভুক্তিমূলক উন্নয়নত বিধানমণ্ডলৰ ভূমিকা।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ, তথ্য-প্ৰযুক্তি আৰু ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি ৰাজস্থান ভ্ৰমণ কৰিব। মন্ত্ৰীগৰাকীয়ে আজি জয়পুৰত জিলাখনৰ ভাৰতীয় জনতা পাৰ্টিৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ দলৰ ৰাজ্যিক মহিলা মৰ্চাৰ উদ্যোগত আয়োজিত সদস্যভৰ্তি অভিযানত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত জয়পুৰৰ গান্ধীনগৰ ৰেলৱে ষ্টেচনৰ পুনৰ উন্নয়নৰ কামো পৰিদৰ্শন কৰিব। তেওঁ জয়পুৰৰ পৰা ছাৱাই মাধোপুৰ আৰু সুমেৰগঞ্জ মণ্ডিৰ পৰা

দিল্লীলৈ থকা ৰে'লপথৰ পৰীক্ষণমূলক যাত্ৰাত অংশ ল'ব। তেওঁ ছাৰাই মাধোপুৰৰ পৰা সুমেৰগঞ্জ মণ্ডিলৈ কৰা যাত্ৰাৰ সময়চোৱাত কৰচ, অৰ্থাৎ ৰে'লপথ সুৰক্ষা ব্যৱস্থাৰ পৰিদৰ্শন কৰিব।

00000

**সমাপ্ত**